# NSD NEWS UNIT

# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-10-2025
**Time :** 1910 Hrs.

## *Assamese Evening Bulletin*

## ***Headlines***

0000

১। অহা ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত ২৪৩জনীয়া বিহাৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

২। মেৰী ই ব্ৰাংক', ফ্ৰেড ৰেমছ্‌ডেল আৰু শ্বিমন চাকাগুচিলৈ ২০২৫ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

৩। কোনো অসম সন্তানৰ হত্যা বা দুৰ্ঘটনাৰ ফলত ৰাজ্যৰ বাহিৰত মৃত্যু হ'লে নশ্বৰদেহ ৰাজ্যলৈ ঘূৰাই অনাৰ উদ্দেশ্যে অসম চৰকাৰে আজি **শ্ৰদ্ধাঞ্জলি** আঁচনি মুকলি কৰে।

৪। চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে নতুন দিল্লীত আজি @150 ইউনিটী মাৰ্চৰ আয়োজন কৰা হয়।

*আৰু*

৫। আই চি চি এদিনীয়া মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত নিউজিলেণ্ডে জয়ৰ বাবে দক্ষিণ আফ্ৰিকাক ২৩২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooo

অহা ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত বিহাৰৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগে আজি ২৪৩জনীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰে। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈছে। নতুন দিল্লীত আজি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কয় যে ৰাজ্যখনৰ ৭ কোটি ৪৩ লাখ ভোটদাতাৰ বাবে ৯০ হাজাৰ ৭১২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে চলিত মাহৰ ১০ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব। ১৭ অক্টোবৰ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ১৩ অক্টোবৰত অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ২০ অক্টোবৰ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ১১ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে কয় যে প্ৰথম বাৰৰ বাবে প্ৰতিটো সমষ্টিত একোগৰাকীকৈ সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া পুংখানুপুংখভাৱে নিৰীক্ষণ কৰিবলৈও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। কোনো ধৰণৰ হিংসাত্মক ঘটনা যাতে সংঘটিত নহয় তাৰ বাবে জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকক দায়িত্ব দিয়া হ'ব। শ্ৰীকুমাৰে কয় যে সমগ্ৰ ৰাজ্যখনতে পৰ্যাপ্ত পৰিমাণে কেন্দ্ৰীয় শসস্ত্ৰ আসক্ষী বাহিনী মোতায়েন কৰা হ'ব। নিচাজাতীয় দ্ৰব্য, নগদ ধন আদিৰ ক্ষেত্ৰতো সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। বিহাৰত মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে এইবাৰ ১৭ টা নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ দ্বাৰা ভোটদানৰ সময়ত ভোটাদাতাসকল বিশেষ অভিজ্ঞতাৰ অধিকাৰী হ'ব।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনৰ জনতাক গণতন্ত্ৰৰ বিশেষ উৎসৱৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত এটা পোষ্টযোগে তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰে জংঘলৰাজ যুগৰ পৰা আঁতৰাই বিহাৰক উন্নয়ন আৰু সুশাসনৰ পথত আগবঢ়াই লৈ যাব। ৰাজ্যখন দৰিদ্ৰ লোকৰ কল্যাণ, আন্তঃগাঁথনি, স্বাস্থ্য সেৱা আৰু শিক্ষাকে ধৰি বহু ক্ষেত্ৰত ঐতিহাসিক পৰিৱৰ্তনৰ সাক্ষী হ'ব বুলি শ্ৰীশ্বাহে আলোকপাত কৰে। তেওঁ কয় যে সমাগত নিৰ্বাচনত বিহাৰৰ জনতাই পুনৰ উন্নয়নৰ ৰাজনীতিক সমৰ্থন কৰিব।

০০০০০০

মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ দিশত যুগান্তকাৰী আৱিষ্কাৰৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানী মেৰী. ই. ব্ৰাংক' আৰু ফ্ৰেড ৰেমছডেলৰ লগতে জাপানৰ শ্বিমন চাকাগুচিক ২০২৫ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে আমাৰ শৰীৰত আক্ৰমণ কৰিবলৈ চেষ্টা কৰা সহস্ৰাধিক অণুজীৱৰ পৰা ৰোগ প্ৰতিৰোধ প্ৰণালীয়ে কেনেদৰে আমাক সুৰক্ষিত কৰি ৰাখে সেই দিশত কৰা আৱিস্কাৰৰ বাবে বিজ্ঞানীসকলক নবেল বঁটাৰ বাবে বাছনি কৰা হৈছে। আজি ছুইডেনৰ ষ্টকহোমত অনুষ্ঠিত এটা অনুষ্ঠানত নোবেল কমিটীয়ে তিনিওগৰাকী বিজ্ঞানীকে “টি” কোষ চিনাক্ত কৰাৰ বাবে সন্মানিত কৰে। এই কোষ হৈছে শৰীৰৰ নিজা কলাবোৰৰ আক্ৰমণক ৰোগ প্ৰতিৰোধ প্ৰণালীৰ বাধা দিয়া মূল উপাদান। এই আৱিষ্কাৰৰ ফলত অটোইমিউন ৰোগ, কৰ্কট ৰোগ আৰু অংগ সংৰোপনৰ ক্ষেত্ৰতো নতুন চিকিৎসাৰ পথ প্ৰশস্ত হৈছে। বিশ্বজুৰি সমাদৃত তেওঁলোকৰ এই কৰ্মই এতিয়া বিশ্বজুৰি চিকিৎসা সেৱাৰ বিভিন্ন কৌশলসমূহক প্ৰভাৱিত কৰিছে লগতে ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পৰ্কীয় বিভিন্ন সমস্যাটো ৰোগীৰ ফলাফল যথেষ্ট উন্নত হোৱাৰ আশা কৰা হৈছে।

উল্লেখযোগ্য যে **১৯৬১** চনত জন্মগ্ৰহণ কৰা বিজ্ঞানী ব্ৰাংক'ৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁ বৰ্তমান ছিতেলৰ ইনষ্টিটিউট ফৰ চিষ্টেমছ বায়'লজীৰ এগৰাকী জ্যেষ্ঠ বিষয়া হিচাপে কৰ্মৰত।একেদৰে ফ্ৰেড ৰেমছডেলৰ জন্ম **১৯৬০** চনত। তেওঁ **১৯৮৭** চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়া-লছ এঞ্জেলেছ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁ বৰ্তমান ছান ফ্ৰান্সিস্কোৰ চ'ন'মা বায় 'থেৰাপিউটিক্সৰ বৈজ্ঞানিক উপদেষ্টা। ইপিনে **১৯৫১** চনত জন্মগ্ৰহণ কৰা চাকাগুচিয়ে **১৯৭৬** চনত জাপানৰ কিয়োটো বিশ্ববিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ অধ্যয়ন কৰাৰ লগতে **১৯৮৩** চনত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। বিজ্ঞানীগৰাকী বৰ্তমান জাপানৰ ওছাকা বিশ্ববিদ্যালয়ৰ ইমিউন'লজী ফ্ৰণ্টিয়াৰ গৱেষণা কেন্দ্ৰৰ জ্যেষ্ঠ অধ্যাপক। নোবেল বঁটাৰ সৈতে তিনিওজন বিজ্ঞানীয়ে **১১** মিলিয়ন চুইডিছ ক্ৰোনাৰ ধনৰাশি লাভ কৰিব।

০০০০০০

অসম চৰকাৰে আজি **শ্ৰদ্ধাঞ্জলি** নামৰ এখন আঁচনি মুকলি কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত এটা অনুষ্ঠানত এই আঁচনিখন মুকলি কৰে। এই আঁচনিৰ দ্বাৰা শিক্ষা অথবা কৰ্মসূত্ৰে ৰাজ্যৰ বাহিৰত থকা কোনো অসম সন্তানৰ হত্যা বা দুৰ্ঘটনাৰ ফলত মৃত্যু হ'লে সন্মান সহকাৰে তেওঁৰ

নশ্বৰদেহ ৰাজ্যলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰা হ'ব। চিকিৎসা গ্ৰহণ কৰি থকা অৱস্থাত মৃত্যু হোৱা ব্যক্তিয়ে এই আঁচনিৰ সুবিধা নাপাব। অসম চৰকাৰে সত্যাসত্য নিৰূপণ কৰি নশ্বৰদেহৰ অন্তিম সংস্কাৰৰ বাবে ৰাজ্যলৈ ঘূৰাই অনাৰ যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব। সুচল পৰিবহণৰ বাবে বাহনৰ লগতে অন্যান্য আনুষ্ঠানিকতাও নিশ্চিত কৰা হ'ব। জনসাধাৰণে ৯১৮১০-১৪৮৮৮ নম্বৰত হোৱাটছ্‌এপ কৰি নাইবা ০৩৬১-২৩৮১৫১১ আৰু ১১২ নম্বৰত ফোন কৰি দুৰ্ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০

ধন আৰু ঐশ্বৰ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা আজি সমগ্ৰ দেশতে পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শাৰদীয় পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত এটা পোষ্টযোগে তেওঁ কয় যে এই উৎসৱে সকলোৰে জীৱনলৈ সুখ, সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব। মা লক্ষ্মীৰ আশীষেৰে সকলোৰে কল্যাণ হ'ব বুলিও তেওঁ আশা কৰে।

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো আজি শ্ৰীশ্ৰী লক্ষ্মী পূজা উদযাপন কৰা হৈছে। ভক্তসকলে ঘৰে ঘৰে নৈবদ্য, ধূপ-দীপ আগবঢ়াই নিজ নিজ গৃহলৈ ঐশ্বৰ্যবিভূতি আগমনৰ কামনা কৰিছে। কোনো কোনো ঠাইত ৰাজহুৱাভাৱেও লক্ষ্মী দেৱীৰ পূজাৰ আয়োজন কৰা হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাবে এইবাৰৰ ৰাজহুৱা লক্ষ্মী পূজাসমূহো কিছু স্তিমিত হোৱা পৰিলক্ষিত হৈছে।

০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে নতুন দিল্লীত আজি @150 ইউনিটী মাৰ্শ্বৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডাঃ মনসুখ মাণ্ডভিয়াই এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালপত তেওঁ কয় যে এই ইউনিটী মাৰ্শ্বৰ দ্বাৰা কেৱল স্মৃতিক সোঁৱৰণ কৰাই নহয়, বৰঞ্চ ই হৈছে যুৱক-যুৱতীসকলক বিকাশৰ দৃষ্টিভংগীৰে বিকশিত ভাৰত আৰু আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপসমূহেৰে আগবঢ়াই নিয়াৰ বাবে জাতীয় আন্দোলন। তেওঁ লগতে কয় যে এই পদক্ষেপৰ লক্ষ্য হৈছে যুৱক-যুৱতীসকলৰ মাজত ঐক্য, দেশপ্ৰেম আৰু নাগৰিক হিচাপে দায়বদ্ধতাক অনুপ্ৰাণিত কৰা। অহা ৩১ অক্টোবৰৰ পৰা ২৫ নৱেম্বৰলৈ প্ৰতিখন জিলাতে প্ৰথম পৰ্যায়ত এই অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

০০০০০০

অহা ৮ অক্টোবৰৰ পৰা নতুন দিল্লীৰ যশোভূমিত চাৰিদিনীয়া কাৰ্যসূচীৰে ভাৰত মোবাইল কংগ্ৰেছ ২০২৫ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত উদ্ভাৱক, নীতি নিৰ্ধাৰকসকল উপস্থিত থাকিব। যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি এই অনুষ্ঠানৰ পৰ্যালোচনা কৰে। তেওঁ প্ৰদৰ্শনী অঞ্চলসমূহ ভ্ৰমণ কৰে আৰু একাংশ অংশগ্ৰহণকাৰীৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কয় যে এই অনুষ্ঠানত যোগাযোগৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। এই অনুষ্ঠানত ১৫০খনৰো অধিক দেশৰ ১ লাখ ৫ হাজাৰতকৈও অধিক দৰ্শক আৰু ৭ হাজাৰ প্ৰতিনিধিৰ লগতে ৪০০গৰাকীয়ে ব্যক্তিয়ে প্ৰদৰ্শনীত ভাগ ল'ব।

০০০০০০

খোৱাপানী আৰু অনাময় বিভাগে আজি গ্ৰামাঞ্চলত পানী আৰু অনাময় ব্যৱস্থাৰ পৰিকল্পনা আৰু নিৰীক্ষণ ব্যৱস্থাৰ বাবে ডিজিটেল পৰিৱেশতন্ত্ৰ নিৰ্মাণৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। জল শক্তি মন্ত্ৰালয়ৰ অধীনৰ বিভাগটোৱে নতুন দিল্লীৰ ভাস্কৰাচাৰ্য নেচনেল ইনষ্টিটিউট ফৰ স্পেচ এপ্লিকেচন্‌ছ আৰু জিঅ' ইনফ'ৰমেট্ৰিক্‌ছৰ সৈতে এই চুক্তি কৰে। মন্ত্ৰালয়ে কয় যে এই চুক্তিয়ে জল জীৱন অভিযান আৰু স্বচ্ছ ভাৰত অভিযান গ্ৰামীণ পোৰ্টেলত বিশেষ ভূমিকা পালন কৰিব। সমগ্ৰ দেশতে গ্ৰামাঞ্চলত পানী

যোগান, অনাময় পদক্ষেপ সন্দৰ্ভত নীতি-নিৰ্দ্ধাৰণ, পৰিকল্পনা, নিৰীক্ষণ আৰু মূল্যায়নৰ ক্ষেত্ৰতো এই চুক্তিয়ে বিশেষভাৱে সহায় কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব পেৰা এথলেটিকচ চেম্পিয়নশ্বিপত ঐতিহাসিক প্ৰদৰ্শন আগবঢ়াই দেশলৈ গৌৰৱ কঢ়িয়াই অনা ভাৰতীয় দলটোৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰী মোদীয়ে ৬টা সোণৰ পদকৰ সৈতে সৰ্বমুঠ ২২টা পদক লাভ কৰা ভাৰতীয় দলটোৰ খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰি কয় যে খেলুৱৈসকলৰ এই সাফল্যই দেশবাসীক অনুপ্ৰাণিত কৰিছে। দেশবাসীয়ে লগতে খেলুৱৈসকলৰ পৰা ভৱিষ্যতেও এনে সফলতা আশা কৰে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰিছে। প্ৰতিযোগিতাখন নতুন দিল্লীত অনুষ্ঠিত কৰাটোও দেশৰ বাবে আন এটা গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি তেওঁ প্ৰতিযোগিতাত অংশ লোৱা বিশ্বৰ শতাধিক দেশৰ এথলিটসকলৰ লগতে অন্যান্য সদস্য সকলকো কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০

আই চি চি এদিনীয়া মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ইণ্ডোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে জয়ৰ বাবে দক্ষিণ আফ্ৰিকাক ২৩২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ইয়াৰ পূৰ্বে টছত জিকি নিউজিলেণ্ডে আটাইকেইটা উইকেট হেৰুৱাই ২৩১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ছফী ডিভাইনে সৰ্বাধিক ৮৫ ৰাণ আৰু ব্ৰুক হলিডেই ৪৫ ৰাণৰ বৰঙণি যোগায়। দক্ষিণ আফ্ৰিকাৰ হৈ এন ম্লাৱাই সৰ্বাধিক ৪টা উইকেট দখল কৰে।

আনহাতে, দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১টা উইকেট হেৰুৱাই ২৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০০

**সমাপ্ত**